# দ:পৰ্বতীয়াৰ ছোৱালী দুজনী



লীলাধৰ হাজৰিকা

451
Z

CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004
Acc No. 2598
Class No. 891.451 Book No. HAZ
Author Hazarika, Liladhar
Title Da-Parbatiar Chuwali Dujani

| Borrower's No. | Issue Date | Borrower's No. | Issue Date |
| --- | --- | --- | --- |

Acc. No. 2598
CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004

1. Books may be retained for a period not exceeding 15 days by the Students and 30 days by Teachers.
2. Books may be renewed on request at the discretion of the Librarian.
3. *Any injury to a book is a serious offence. Unless the borrower points out the injury at the time of borrowing the book, he/she shall be required to replace the book or pay its price as per Library rules.*

HELP TO KEEP THE BOOK FRESH & CLEAN

# দ-পৰ্বতীয়াৰ ছোৱালী দুজনী

( স্বনিৰ্বাচিত কবিতা সংকলন ঃ ১৯৮৭-৯৩ )

ড° মালিনী গোস্বামীলৈ
শ্ৰদ্ধাৰে

ASSAM WOMEN'S UNIVERSITY
Library

## লীলাধৰ হাজৰিকা

Central Library
Assam Womens University
Acession No.: 2598
Date 20/08/24

ললিত প্ৰকাশন
পদুমবৰী, গুৱাহাটী–৭৮১০৩৩

DA-PARBATIAR CHUWALI DUJANI— A collection of Poems by Liladhar Hazarika and published by Lalit Prakashan Padumbari, Guwahati—33,

দ-পৰ্বতীয়াৰ ছোৱালী দুজনী
স্বনিৰ্বাচিত কবিতা সংকলন ( ১৯৮৭-১৯৯৩ )
লেখক
লীলাধৰ হাজৰিকা
পদুমবৰী,
গুৱাহাটী—৭৮১০৩৩
লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত
প্ৰকাশক,
গোৱেন্দিকা হাজৰিকা
ললিত প্ৰকাশন
পদুমবৰী,
গুৱাহাটী—৭৮১০৩৩
প্ৰথম প্ৰকাশ
জানুৱাৰী—১৯৯৫

বেটুপাত :
শিৰোনামা লিপি : শিল্পী ঘন দত্ত
চিত্ৰ সংগ্ৰহ—লেখক

মূল্য :
কেচা বন্ধা—সাত টকা
পকা বন্ধা—বাৰ টকা

ছপাশাল :
লেতুকী আৰ্ট প্ৰেছ
সাতমাইল
জালুকবাৰী,
গুৱাহাটী—১৪

স্বৰ্গীয় ৰমধৰ পাঠকৰ

পুণ্যস্মৃতিত

অৰ্পিত।

## ব্যক্তিগত

'দ-পৰ্বতীয়াৰ ছোৱালী দুজনী'' মোৰ তৃতীয় কবিতা সংকলন। প্ৰথম দুখন কবিতা সংকলন বালিচৰ (১৯৮৩) আৰু প্ৰতিটো শব্দত তেজ (১৯৮৭) কাব্যপ্ৰেমী ৰাইজে সাদৰে গ্ৰহণ কৰাৰ পিছত দ-পৰ্বতীয়াৰ ছোৱালী দুজনী ১৯৯৫ প্ৰকাশ কৰিবলৈ লৈছো।

দ-পৰ্বতীয়াৰ শিলৰ তোৰণখনি বহুবাৰ দেখিছো। অতি আগ্ৰহেৰে চাইছো। তাত থকা ছোৱালী দুজনীৰ (গঙ্গা-যমুনাৰ) অপৰূপ সৌন্দৰ্য্যত আপ্লুত হৈছো। অসমত এতিয়ালৈকে উদ্ধাৰ হোৱা ভাস্কৰ্য্যৰ ভিতৰত দ-পৰ্বতীয়াৰ শিলৰ তোৰণখনিয়েই প্ৰাচীন নিদৰ্শন বুলি পণ্ডিত সকলে ঠাঁৱৰ কৰিছে। ইয়াৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই কবিতা পুথিখনৰ নামকৰণো কৰিছো— দ-পৰ্বতীয়াৰ ছোৱালী দুজনী।

সংকলনখনিত মুঠ একুৰি তিনিটা কবিতা সংকলিত কৰা হৈছে। কবিতা সমূহ ১৯৮৭ চনৰ পৰা ১৯৯৩ চনৰ ভিতৰত লিখা। ইয়াত সংকলিত কবিতা সমূহ ইতিমধ্যে বিভিন্ন আলোচনী আৰু কবি সন্মিলনত প্ৰকাশিত আৰু পঠিত হৈছে।

কেইটিমান কবিতাত কেইখনমান ঠাইৰ ঐতিহাসিক পটভূমি তথা লৌকিক বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে। এই বিচাৰ বিশ্লেষণৰ মূল হৈছে ঐতিহ্য-প্ৰীতি।

সংকলনখনিৰ কবিতা সমূহ পঢ়ি অতি আগ্ৰহেৰে 'আগকথা' লিখি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া বাবে বিশিষ্ট কবি শ্ৰীযুত অৱনী চক্ৰৱৰ্তীক প্ৰকাশিত কবিতা পৃষ্ঠাবোৰ তেখেতক চাবলৈ দিছিলো। অতি দুখেৰে জনাবলৈ পাই মৰ্মাহত হৈছো যে যোৱা ১২ নবেম্বৰ '৯৪ তাৰিখৰ পৰা তেখেত নিৰুদ্দেশ হৈছে। মোৰ কবিতা সম্পৰ্কে তেখেতে বৰ দীঘলীয়াকৈ লিখিম বুলি প্ৰতিশ্ৰুতি দিছিল। মোৰ কবিতাত হেনো নীলমণি ফুকন ছাৰৰ প্ৰভাৱ বৰ বেছিকৈ পৰিছে এই কথা বাৰে বাৰে সকিয়াই দিছিল অৱনী দাই। বিভিন্ন কবি সন্মিলনত কবিতা পাঠ কৰিবলৈ যাওঁতে প্ৰায়েই মোৰ কবিতা সমূহ সংকলিত কৰিবলৈ উপদেশ দিয়া অগ্ৰজ কবি গৰাকী পুনৰ উভতি আহিব বুলি আমাৰ দৃঢ় বিশ্বাস। তেখেতৰ উপস্থিতি আমাৰ দৰে নবীন কবিৰ বাবে অতি উৎসাহজনক।

কবিতা সংকলনখনিৰ ছপা কাম যোৱা বছৰ নবেম্বৰ '৯৩ মাহতে শেষ হৈছিল। সংকলনখনৰ বাবে সাজু কৰি ৰখা দ-পৰ্বতীয়াৰ তোৰণখনিৰ ব্লকটো জনৈক প্ৰেছ-কৰ্মী আৰু এগৰাকী সহকাৰী সম্পাদকে নি আজিলৈকে ওভতাই নিদিয়াত বেটুপাতৰ কামটোত পলম হ'ল।

সংকলনখনি প্ৰকাশৰ তাগিদা দি থকা সকলৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ বন্ধুবৰ ড° উমেশ ডেকা, সহকৰ্মী শ্ৰীহৰিকান্ত বৈশ্য, শ্ৰীযুতা নিৰূপা পটঙীয়া শইকীয়া, শ্ৰীমান কণক কলিতা, সমৰেন্দ্ৰ নাথ দাস, ভবেশ ভৰালী, ভানু দেউৰী মৰমৰ ভাগিন প্ৰাণেশ্বৰ দাস, ভতিজা কিশোৰ কুমাৰ দাস, দীপু দাস, কন্দৰ্প পাঠক, চন্দন পাঠক আৰু শ্ৰীমতী মিনুপ্ৰভা হাজৰিকাৰ নাম উল্লেখযোগ্য।

কবিতা সংকলনখনিৰ বেটুপাতৰ শিৰোনামা লিপি লিখি দিয়াৰ বাবে চিত্ৰশিল্পী ঘন দত্তলৈ কৃতজ্ঞতা যাচিলোঁ।
ললিত প্ৰকাশনে প্ৰকাশৰ দায়িত্ব লোৱাতহে সংকলনখনিয়ে প্ৰকাশৰ মুখ দেখিলে। মালীগাওঁ চাৰিআলিৰ বৰ্মন বুকচ্ কৰ্ণাৰৰ স্বত্বাধিকাৰী শ্ৰীভৱেশ বৰ্মনে সংকলনখনিৰ পৰিবেশনৰ দায়িত্ব লোৱাত তেখেতলৈও কৃতজ্ঞতা যাচিলোঁ।

এই সুযোগতে জালুকবাৰী সাত-মাইলৰ লেতুকী আৰ্ট প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীঅবনি কান্ত দাস আৰু কৰ্মীবৃন্দলৈও ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সংকলনখনিৰ পাঠাংশত দুই-এঠাইত কেইটামান বানান ভুলকৈ ছপা হৈছে, তাৰবাবে আমি দুঃখিত।

সদৌ শেষত সংকলনখনিৰ কবিতাসমূহৰ বিচাৰ বিশ্লেষণৰ দায়িত্ব কাব্যপ্ৰেমী ৰাইজৰ ওচৰত নিবেদন কৰিলোঁ। ইতি—

পদুমবৰী,
গুৱাহাটী—৭৮১০৩৩

—লীলাধৰ হাজৰিকা

# সূচী


| | |
|---|---|
| সূৰ্য নামি আহিছিল এই বাটেদি | ১ |
| নৱবৰ্ষৰ কবিতা | ৩ |
| গাওঁখনত চেকুৰি ফুৰা ঘোঁৰাটো | ৪ |
| কবিতা | ৬ |
| মাহমৰীয়া গাঁৱৰ এখন চিনাকি পৃথিৱী | ৭ |
| মোৰ দেশ | ৯ |
| বুঢ়া মানুহজন | ১১ |
| জীয়াই থকাৰ মানসেৰে | ১২ |
| মোৰ বাবে | ১৩ |
| সেই বুঢ়া জলফাই গছজোপা | ১৫ |
| চিস্থল ফেমিলি | ১৭ |
| দ-পৰ্ব্বতীয়াৰ ছোৱালী দুজনী | ১৮ |
| গোয়েনিকা | ১৯ |
| পানীত ডুবা মানুহজাকৰ অন্বেষণত | ২০ |
| এইখিনিতেই ঘটিছিল দুৰ্ঘটনাটো | ২৫ |
| মনালিছা | ২৪ |
| সাঁচিপাত | ২৬ |
| জোনাক | ২৮ |
| এখন আকাশ একেটাই গান | ২৯ |
| বিভীষণ | ৩২ |
| শিৰোনামাত বিষ্ণুৰাভা | ৩৫ |
| মাজুলী | |
| ছবি আঁকা মানুহজন ছবি হৈ ৰ'ল | ৩৮ |


**লীলাধৰ হাজৰিকাৰ দ্বিতীয় কবিতাপুথি প্ৰতিটো শব্দত তেজ সম্পৰ্কে বিভিন্ন আলোচকৰ মতামত ঃ**

**লেখকৰ দ্বিতীয় কাব্যসংকলন সম্পৰ্কে বিভিন্নজনৰ মতামত :**

লীলাধৰ হাজৰিকাৰ "প্ৰতিটো শব্দত তেজ"ৰ কলিকাত প্ৰৱাহিত হৈ আছে মানৱীয় অনুভূতিৰ এক প্ৰচণ্ড আবেদন। বঞ্চিতজনৰ প্ৰতি হৃদয়ৰ সজল আকুতি, হোজা-গাঁৱৰ সৰল মানুহখিনিৰ প্ৰতি প্ৰাণ স্পৰ্শিত অনুকম্পা, জীৱনৰ খলা-বমাত আৱৰ্তিত প্ৰাত্যহিকতাৰ প্ৰতি আনুগত্যশীল সহানুভূতি, তথা জৈৱিক বাসনাৰ উৰ্দ্ধত বৈ প্ৰাকৃতিক নিয়মেৰে শৃংখলিত প্ৰেমময় সত্ত্বা উপলব্ধিৰ নিবিড় প্ৰতিশ্ৰুতি – কবিতাখিনিৰ মূল উপজীব্য। কবিৰ জীৱনৰ প্ৰতি থকা অকৃত্ৰিম দায়বদ্ধতাত কবিতাখিনিত স্ফুলিঙ্গিত হৈছে সমাজ জীৱন অভিব্যক্তিৰ স্বাভাৱিকতা আৰু সত্য প্ৰকস্ফুাশৰ স্বতঃস্ফূৰ্ত আস্থা। আধুনিকতাৰ মোহ আৰু স্বপ্নত থুনুকি উঠা জটিল জীৱন—বিন্যাসৰ পৰিবৰ্তে মাটিৰ বুকুত গজি উঠা জীৱনৰ নিৰ্মোহ ৰূপে অঙ্কণৰ প্ৰতি অধিক আগ্ৰহে হাজৰিকাৰ কবিতাক জনজীৱনমুখী কৰি তোলাৰ প্ৰচুৰ সম্ভাৱনা আছে।


ডঃ উমেশ ডেকা
ৰীডাৰ, অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়


অসমত শেহতীয়াভাবে প্ৰবল বেগেৰে বৱলৈ আৰম্ভ কৰা নব্য ৰোমাণ্টিক ধাৰাটোৰ বতাহ ছাটিৰ বিপৰীতে যিসকল কবিয়ে নিজৰ কলম পোনকৈ ৰাখিছে, লীলাধৰ হাজৰিকা সেই সকলৰ ভিতৰত এজন। .... .... লীলাধৰ হাজৰিকাক কেতিয়াবা চিত্ৰকৰ যেন

লাগে। তেওঁ ছবি আঁকে মাটিৰ, বোকাৰ, নদীৰ, আকাশৰ তৰাৰ, তেজৰ। সেই ছবিবোৰৰ মাজেৰে হাজৰিকাই দেখুৱাব খোজে জীৱনৰ মৰ্ম। কিন্তু তেওঁৰ জীৱনৰ এটা নিৰ্দিষ্ট দৰ্শন নাই—যাৰে পথ নিৰ্দেশ কৰিব পাৰে...। ...... নৈসৰ্গিকতাৰ প্ৰতি কবিৰ দুৰ্বলতা অসীম। কেতিয়াবা কবিয়ে পাঠকক অসমৰ সেউজীয়া প্ৰকৃতিৰ কোলাত উমলিবলৈ নিব খোজে যেন ধাৰণা হয়।...... কবিৰ সহজ সৰল বক্তব্য সহজ চহা জীৱনৰ দৰেই সৰল। কবিয়ে আঁৰ-বেৰ নথকাকৈ কয়। এইটোৱেই লীলাধৰ হাজৰিকাৰ বিশেষত্ব।

শংকৰ শইকীয়া

সাম্প্ৰতিক কবিতা/দ্বিতীয় বছৰ

সপ্তম সংখ্যা-১৯৯০

কবি লীলাধৰ হাজৰিকাৰ "প্ৰতিটো শব্দত তেজ"ত ত্ৰিশটা কবিতা সন্নিবিষ্ট কৰা হৈছে। প্ৰত্যেকটো কবিতাতে কবিয়ে তেজৰ উত্তাল তৰঙ্গ কঢ়িয়াই আনিছে। "এখন মাছমৰীয়া গাঁৱৰ মাটি, প্ৰেম আৰু কবিতা"ৰ যোগেদি কবিয়ে জন্মভূমিৰ প্ৰতি থকা ভালপোৱাৰ কথাকে বুজাব খুজিছে। কবিৰ কল্পনাত দাৰ্শনিক দৃষ্টিও লুকাই থকাৰ উমান পোৱা গৈছে 'শিলত মানুহ' কবিতাটোত। হাজৰিকাৰ কবিতাত শব্দৰ কঠিনতা নোহোৱা নহয়, তথাপিও কোনো ক্ষেত্ৰতে ভাষাৰ জটিলতা অনুভৱ কৰা নাযায়।

যাদৱ চন্দ্ৰ মহন্ত

কল্পদ্ৰুম দ্বিতীয় বছৰ

সপ্তম সংখ্যা-১৯৯০ চন

## লীলাধৰ হাজৰিকাৰ কবিতা

চিৰন্তন সত্যৰ ব্যঞ্জনাঘন ছন্দোময় প্ৰকাশেই কবিতা। সত্যৰ বিচিত্ৰতাই কবিতা সৃষ্টিত বৈচিত্ৰ্য আনে। কবিতা পঢ়ি মানুহে ভাল পায়, কাৰণ কবিতাৰ ভিতৰত পাঠকে নিজকে বিচাৰি পায়। নিজকে বিচাৰি পোৱাৰ আনন্দতে ৰসাশ্ৰয়ী পাঠকে একো একোটি কবিতাক বাৰে বাৰে আওৰায়। হৃদয়ৰ পৰা আজুৰি নি তাক মগজুৰ মণিকোঠাত স্থান দিয়ে। সত্য সনাতন। দেশ-কাল পাত্ৰৰ পৰিধিয়ে সত্যক চুবলৈ অসমৰ্থ। কবিতাৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। তথাপি একে পানীয়ে বিভিন্ন পাত্ৰত ভিন্ন ৰূপ পায়। ভিন্ন ৰুচিৰ লোকে ভিন্ন পাত্ৰৰ পানী পিবলৈ বাঞ্ছা কৰে। সত্যক চিনাকি ক্ষেত্ৰত যথাযথভাবে উপস্থাপন কৰিব পাৰিলে সি জনসাধাৰণৰ অধিক আদৰ পায়। মাটিৰ গোন্ধ থকা সুকুমাৰ কলা সৰ্বদা জনপ্ৰিয়তাৰ তুংগ শীৰ্ষত সমাধান হোৱাটো কাৰো অবিদিত নহয়। শ্ৰীলীলাধৰ হাজৰিকাৰ "প্ৰতিটো শব্দত তেজ" শীৰ্ষক কবিতা সংকলনখনিৰ পাত লুটিয়াই যাওঁতে উপযুক্ত কথাখিনি মনলৈ আহিছে।

--......কবিতাৰ কলাসন্মত প্ৰকাশৰ প্ৰতি হাজৰিকাৰ আকৰ্ষণ বেছি। ঠায়ে ঠায়ে শব্দ প্ৰয়োগৰ সচেতনতায়ো হাজৰিকাৰ কবিতাক সুখপাঠ্য কৰিছে। (পান্থ পাদপ-১৫-৪-৮৬)।

শ্ৰীহাজৰিকাৰ এই কবিতা সংকলনটিত সৰ্বমুঠ ৩০ টা কবিতাই স্থান পাইছে। মাটিত মুখ থৈ লেখনি হাতত লোৱা কবিয়ে জীৱনৰ আশা নিৰাশা অশ্ৰু সকলোতে তেজৰ গোন্ধ অনুভৱ কৰিছে। তেওঁ উপলব্ধি কৰিছে যে—"ফুল তেজতো ফুলে / হাঁহি বোকো শুহি নিয়ে/। শ্ৰীহাজৰিকা মূলতঃ বাস্তৱৰ কবি' সৰু সৰু মানুহৰ সুখ-দুখৰ ছবিয়ে তেওঁৰ অনুভূতিত সিক্ত হৈ প্ৰভাতী নিয়ৰ কণাৰ দৰে জলমলাই উঠিছে— "মাছমৰীয়া গাঁৱৰ/মাটি আৰু প্ৰেমৰ/ অনুভূতিয়ে মোৰ কবিতা/। "ৰৰ্ডছ ৱৰ্থৰ দৰে আমাৰ কবিয়েও

''কথাবোৰ কবিতাই/
গভীৰ প্ৰত্যয়েৰে ভাবে যে কৰ্মজীৱী মানুহখিনিৰ কবিতা। সংকলনটিৰ বিষয়বস্তু কবিতাৰ দৰে সঁচা, এটি গান/। প্ৰেম, প্ৰীতি, স্মৃতি, সুখ, দুখ, বিষাদ আৰু ঐতিহ্য প্ৰীতি বিচিত্ৰ। এই সকলোখিনিৰেই 'প্ৰতিটো শব্দত তেজ'ৰ প্ৰাণময় অনুভৱ সুখকৰ। ''কি সুৰে বজালা বাঁহী'' আৰু একেখন পৃথিৱীতে'ৰ আবেদন মূলতঃ মিষ্টিক।

ঐতিহ্যৰ প্ৰতি গভীৰ শ্ৰদ্ধাশীল কবি হাজৰিকাই তেওঁৰ কবিতাত সকলোৰে চিনাকী এটি সুৰ নতুন ৰূপত বাণীবদ্ধ কৰিছে। সেই সুৰটো হ'ল—ওপজা মাটিৰ সুৰ।

শ্ৰীসূৰ্য্যপাহাৰ, অৰুণাচলৰ মালিনী থান, খাজুদি আশ্ৰম, ভৈৰৱকুণ্ড দ-পৰ্ব্বতীয়া আৰু মদন কামদেৱৰ লগঃতা ক্ষন্তেক পৰিচয় হোৱাৰ সুযোগকণ শ্ৰীহাজৰিকাই আমাক দিছে। গতিকে কবি নিঃসন্দেহে আমাৰ ঐতিহ্যত শৰণাপন্ন বাস্তৱবাদী কবি। তেওঁৰ ভাষাত সঙ্গীতৰ লালিত্য আছে। বহুখিনি চিত্ৰকল্পৰ সাৰ্থক প্ৰয়োগ দেখা পাওঁ প্ৰতিটো শব্দত তেজ'ৰ মাজত। প্ৰথমবাৰ পঢ়িয়েই কবিতাখিনিৰ বক্তব্যৰ সৈতে চিনাকী হ'ব পাৰি। পুথিখন ছপা সুন্দৰ, বেটুপাত সৰল কিন্তু কবিতা কবিতা লগা। কবি শ্ৰীহাজৰিকাৰ কাপৰ পৰা অধিক সাৰ্থক কাব্যৰ সৃষ্টি সম্ভৱ হওঁক, এয়ে আমাৰ কামনা।

ড° নাৰায়ণ দাস
অধ্যাপক, প্ৰাগজ্যোতিষ কলেজ, গুৱাহাটী

(আলোচনাটি গুৱাহাটী বিশ্ববিদ্যালয় কৰ্মী সন্থাৰ সপ্তবিংশ সংখ্যা ১৯৯৪ তৰঙ্গত প্ৰকাশিত। পৃঃ ৫৬-৫৭)

## সূৰ্য্য নামি আহিছিল এই বাটেদি

বিষ্ণুৰাভা
তোমাৰ চিফুং বাঁহীৰ সুৰ
মোকো শুনাবানে

অসমৰ আকাশে-বতাহে
ধূলিকণাত হোৱা নাই
তোমাৰ পাদ-পদ্মত ফুলা
ৰাতি ফুলা ফুলবোৰ

তোমাৰ সাৰে থকা চকুৰ পঁতাত
মোৰ আজলি ভৰা
দেশাত্মকৰ ভাৱবোৰ
থুপ খাই আছে
সৌ আকাশৰ তলে তলে
নিয়ৰৰ ওপৰে ওপৰে
মোৰ সেমেকি যোৱা ভৰিৰ দুপতাত
মানুহবোৰ এতিয়াও বৈ আছে
তোমাৰ বাঁহীৰ সুৰ
শুনাবানে মোকো...

বিষ্ণুৰাভা
তুমি সাৰে থাকিবা
পুণ্যতপা এই আশ্ৰমত
মোকো সাৰে থাকিবলৈ
হাতত বন্দুক
আৰু মুখত চিফুং দিয়া

আৰু মগজুত দিয়া
দেশ মাতৃকাৰ এটি ৰং
যি ৰঙত
দুবৰিৰ নিয়ৰত মই
উজাগৰি নিশাৰ
তৰা গনি গনি
তোমালৈ মনত পেলাম
মোৰ পংক্তিভৰা মনৰ মাজত

বিষ্ণুৰাভা
তোমাৰ চিফুঙত
আৰু জোৰে
ফুঁ মাৰি দিয়া

সেই চিফুঙৰ সুৰত
ওলাই আহক
নতুন পুৰুষ

শোষিত
পদদলিত
অসমৰ আকাশলৈ
সূৰ্য্য নামি আহক
এই বাটেদি......
১৯৮৭

*০*



## নৱবৰ্ষৰ কবিতা

মৰমৰ নিয়ৰ
নতুন বছৰৰ প্ৰথম দিনটোতেই
কি লিখিম তোমালৈ

সকলো কথা কব নোৱাৰি
সকলো গান গাব নোৱাৰি
এনে কিছু কথা আছে
যিয়ে উৰুৱাই নিয়ে
আশা নিৰাশাৰ পদুলি

কিছুমান গান আছে
যিয়ে সৰ্বদা আনি দিয়ে
নিয়ৰ সিক্ত এপাহি শেৱালি

গান আৰু ফুলৰ ভাষাৰে
আৰম্ভ হওঁক
নৱবৰ্ষৰ প্ৰথম ৰ'দালি
ইতি
তোমাৰ
দুবৰি
১৯৮৭

¤¤¤¤¤

আৰু মগজুত দিয়া
দেশ মাতৃকাৰ এটি ৰং
যি ৰঙত
দুবৰিৰ নিয়ৰত মই
উজাগৰি নিশাৰ
তৰা গনি গনি
তোমালৈ মনত পেলাম
মোৰ পংক্তিভৰা মনৰ মাজত

বিষ্ণুৰাভা
তোমাৰ চিফুঙত
আৰু জোৰে
ফুঁ মাৰি দিয়া

সেই চিফুঙৰ সুৰত
ওলাই আহক
নতুন পুৰুষ

শোষিত
পদদলিত
অসমৰ আকাশলৈ
সূৰ্য্য নামি আহক
এই বাটেদি.......
১৯৮৭

*০*



# নৱবৰ্ষৰ কবিতা

মৰমৰ নিয়ৰ
নতুন বছৰৰ প্ৰথম দিনটোতেই
কি লিখিম তোমালৈ

সকলো কথা কব নোৱাৰি
সকলো গান গাব নোৱাৰি
এনে কিছু কথা আছে
যিয়ে উৰুৱাই নিয়ে
আশা নিৰাশাৰ পদুলি

কিছুমান গান আছে
যিয়ে সৰ্বদা আনি দিয়ে
নিয়ৰ সিক্ত এপাহি শেৱালি

গান আৰু ফুলৰ ভাষাৰে
আৰম্ভ হওঁক
নৱবৰ্ষৰ প্ৰথম ৰ'দালি
ইতি
তোমাৰ
দুবৰি
১৯৮৭

✡✡✡✡✡

# গাওঁখনত চেঁকুৰি ফুৰা ঘোঁৰাটো

( বিগত ছবছৰীয়া অসম আন্দোলনৰ পটভূমিত উৎসৰ্গিত )

পিকাছোৰ গোয়েনিকাৰ
সেই কঁকাল ঘোঁৰাটো
ময়ো কেতিয়াবা সপোনত দেখো
পানীত ডুবা মানুহজনে
ঘোঁৰাত উঠি ঢপলিয়ায়
মোৰ মৰমৰ গাওঁখনলৈ
ঘোঁৰাটো চেকুৰিলেই
মানুহবোৰ পিছে পিছে দৌৰে
ঘোঁৰাৰ লগে লগে মানুহ

ঘোঁৰাৰ খোজত কেতিয়াবা
মানুহ মৰে
কিছুমান আহত হয়
বাটৰ মানুহৰ কথাত
পতিয়ন গৈ
ৰজাঘৰীয়া মানুহে
ঘোঁৰাটোলৈ গুলী কৰে
ঘোঁৰাটো নমৰে
কেতিয়াবা কিছুমান মানুহ মৰে

ঘোঁৰা চেকুৰাৰ শব্দত
ম'ৰা মানুহবোৰেও
সাৰ পায়
জীৱ-জন্তু, আনকি গছ-গছনিবোৰও



গাওঁখনৰ মানুহে ভাবে
নিশ্চয় ক'ৰবাত জুই লাগিছে
ল'ৰা-ছোৱালীবোৰে
ইটোৱে সিটোৰ মুখলৈ চায়
মানুহবোৰৰ পেটত ভাত-পানী নাইকিয়া হয়

গাওঁখনত কোৰ্হাল লাগি পৰে
দুহেজাৰ দুশ সাতপন্ন দিনলৈ
ঘোঁৰাটো চেঁকুৰিয়েই থাকে

অৱশেষত
ঘোঁৰা চেকুৰৰ অন্ত পৰিল
তেজী ঘোঁৰাটো ইকৰাৰ সামান্য আঁহেৰে
বন্ধা হ'ল
ঘোঁৰা চেকুৰ অন্ত পৰিল
পানীত ডুবা মানুহজন পাৰলৈ আহিল

ৰাতিপুৱাল
সপোন ভাগিল

যিকোনো মুহূৰ্ততেই ঘোঁৰাটো
আকৌ বন্ধনমুক্ত হব পাৰে
গাওঁখনত ঘোঁৰা চেকুৰ
এতিয়াও শেষ হোৱা নাই......

১৯৮৭

## কবিতা

তোমাৰ চকুদুটা
মোক দি দিয়া
তাৰ সলনি
মোৰ হৃদয়খন
মই তোমাক দিওঁ

তোমাৰ হাত দুখন
মোক দিয়া
মই তোমাক দিওঁ
মোৰ কলিজাৰ এফাল

একো লাভ নাই
কলিজা দিলেও
নিতিতে মোৰ
দুখৰ দুভৰি হিয়া

তোমাৰ চকুদুটা
হাত দুখন
মোৰ গাত লগাই লওঁ
আৰু পৃথিবীত মই
পংগুহীন বুলি প্ৰমাণ কৰো

চকু আৰু হাত দুখনৰ বাবে
মই নিসঙ্গ.....
আহা পৃথিবী দৰ্শন কৰো
আমি দুয়ো একেলগে
১৯৮৭



## মাছমৰীয়া গাঁৱৰ এখন চিনাকি পৃথিবী

কোনোবা মাছমৰীয়া গাঁৱৰ
কল্যাণ-পূৰবীহঁতৰ এখন চিনাকি পৃথিবী
মুকলি পথাৰ আৰু জুৰিয়া আঁহতৰ ছাঁত
ক্ষন্তেক জিৰণি লৈছো
মোৰ আইৰ সেউজীয়া
মৰমৰ হাট বেহাবলৈ
য'ত
মোৰ ককা-দেউতাই
বাঁহনিৰ তলে তলে
নাঙলৰ সীৰলু বিচাৰি
নদী এৰি আহিছিল
সোণ বুটলিবলৈ
আজি সেই নদীত
অহা যোৱা কৰে
ইপাৰ সিপাৰ লগ লগা সাঁকোৰে
হেজাৰ বিজাৰ কল্যাণ-পূৰবীহঁতৰ
দেউতা, ককাদেউতা আৰু শত পথভ্ৰষ্ট নাঁৱৰীয়া
সিহঁতৰ দুহাতত বঠাৰ সলনি আছে
ভিক্ষাৰীৰ টোকোনা জোলোঙা
মুকলি পথাৰ আৰু জুৰিয়া আঁহতৰ ছাঁত
ক্ষন্তেক জিৰণি লৈছো
এটুকুৰা ওখ ৰঙা, এচলীয়া অনুৰ্বৰা মাটিত

ওপজা মাটিৰ প্ৰেম
ক'ত আছে সেই মাটি
নদীতেই জীৱন যাৰ
ওৰে ৰাতি...... ( পাৰ হৈ যায় )
সেই মাটি
সেই নদী

এতিয়া ক'ত হেৰুৱালি
হেৰা মাছৰ গৰাকী কল্যাণ পূৰৱী
ক'ত হেৰুৱালি তহঁতৰ
পৰুঙি, শেৱালি, ঢেঁকি
চেপা, খোখা, খালৈ ভেঁকুৰি
লানি লানি পতা তহঁতৰ
লাঙি জালখনি
ক'ত হেৰুৱালি আপোন মাটি

তোৰ গাঁৱৰ দুখীয়া-নিছলা প্ৰজা
সিহঁতৰ কি যে আজি দুৰ্দশা
দ্বিতীয় মহাসমৰৰ ভয়ঙ্কৰ অগ্নিশিখা
আজিও সিহঁতৰ প্ৰাণে প্ৰাণে আছে গথা

ওপজা মাটিৰ কথা
আৰু কিমান কম
সিহঁতৰ জীৱনৰ দুৰ্দশা
হেৰা মাটিৰ গৰাকী বাটৰুৱা
সিহঁত আজি ৰেলৰ বাসিন্দা
তুমি মই আছো ৰখি
গাঁৱৰ উঁৰুখা পঁজা

ওপজা মাটিৰ কথা
মোৰ প্ৰেম আছে য'ত
সেউজীয়া পথাৰ আৰু আঁহতৰ
সেউজীয়া পাতেৰে গঁথা

মোৰ প্ৰেম ওপজা মাটিত
হেৰা মাছৰ গৰাকী কল্যাণ-পূৰৱী
ক'ত হেৰুৱালি
আপোন মাটি

কোনোবা মাছমৰীয়া গাঁৱৰ
কল্যাণ পূৰৱীহঁতৰ
এখন চিনাকি পৃথিৱী......
১৯৮৭



## মোৰ দেশ

এইখন মোৰ দেশ
সুজলা-সুফলা শস্য শ্যামলা
পাৰত পদুমৰ পাহি গজা
মুগা আৰু পাটৰ সাজেৰে সজা
পৰ্বত ভৈয়াম জুৰি
সমন্বয়ৰ সেতু গঢ়া
বৰলুইত প্ৰবাহিত
ৰূপহী অসমী আই

এইখন মোৰ দেশ
কৰ্মই ধৰ্ম
সেই সজনীতিৰে বিভূষিতা
অৱহেলাৰ পদে পদে পৰাজয় ঘটা
মোমাইক দুখণ্ড কৰা
লাচিতৰ দেশ
তৰুণৰ দেশ
নবীনৰ দেশ

জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভাৰ
সোণালী সপোনৰ দেশ
জয়মতী-মূলাগাভৰুৰ
সতীত্ব আৰু বীৰত্বৰে ভৰা
সতী বেউলাৰ দেশ
ৰাণী ফুলেশ্বৰীৰ দেশ
এইখন মোৰ দেশ
শত শ্বহীদৰ প্ৰেতাত্মাৰ দেশ......

আজি কালি মোৰ দেশৰ বুকুত
সোণালী শইচ নগজে
মেটেকা এবাৰ গজিলে নমৰে
পানীভোতেৰা হাজাৰ গুণে বাঢ়ে
পদুলিয়ে পদুলিয়ে বিষাক্ত পাৰ্থেনিয়াম গজে
কোন আহে হাবি ভাঙি

পাৰ্থেনিয়াম উভালিবলৈ ……

কাৰো এধানিও সহাঁৰি নাই
কাৰো মাত মাতিবৰ অৱসৰ নাই

এইখন মোৰ দেশ
মূলাগাভৰুৰ তেজ
বেউলাৰ নাচ
আৰু শত শ্বহীদৰ তুমুৰুলিত
ডগমগাই থকা
ৰূপহী অসমী আই

হে মোৰ, একবিংশতিতম শতিকাৰ
দুৱাৰ গচকা সুহৃদ
তোমালোকে ফৰেইনচিক লেৱাৰটৰীত
প্ৰমাণ কৰি দেখুওৱা
মোমাইক দুখণ্ড কৰা তেজাল অসমীয়া
অসমত আজিও আছে

এইখন মোৰ দেশ
লাচিতৰ দেশ
একবিংশ শতিকাৰ দুৱাৰ গচকা
তৰুণৰ দেশ
এইখন মোৰ দেশ
সোণালী সপোনৰ দেশ
শত-শ্বহীদৰ প্ৰেতাত্মাৰ দেশ
সুজলা সুফলা শস্য শ্যামলা
পাঁৰত পদুমৰ পাহি গজা
মুগা আৰু পাটৰ সাজেৰে সজা
পৰ্বত ভৈয়াম জুৰি
সমন্বয়ৰ সেতু গঢ়া
বৰলুইত প্ৰবাহিত
ৰূপহী অসমী আই

১৯৮৮



# বুঢ়া মানুহজন

চিৎ হৈ পৰি থকা বুঢ়া মানুহজন দেখি
ডিঙি খেকাৰি সাৱধান কৰি দিছিল এই ৰাস্তাত
অনৰ্গল বাজি থকা অজ্ঞাত অথচ বিকৃত সেই স্বৰবোৰে
আঙুলিত হাত থৈ গম পালো দন্তীয় দ টোৰ দৰে
চাৰিআলিৰ চকুটোত লাংখাই পৰিথকা সেই বুঢ়াজন
এই গাঁৱৰ প্ৰাচীন ঐতিহ্য ……

ডিঙিৰ শিৰবোৰে এতিয়াও সোঁৱৰায় বুঢ়া ভাল গায়ক আছিল
দাঁত নিকটাই পৰি থকা দেখিলে অনুমান কৰিব পাৰি
বুঢ়াৰ কণ্ঠটো বৰ শুৱলা আছিল
গাখীৰত পানী মিহলালে বৰণ সলনি নোহোৱাৰ দৰে

চাৰিআলিৰ চকুটোত মৃত বুঢ়াৰ শ্ৰাদ্ধ কৰাৰ কাৰণে
স্কুলখন আৰু পুথিভঁৰালটো
বাৰীমূৰত থিয় হৈ থকা শিমলুডাল
আঘোণমহীয়া পথাৰৰ ৰাস্তাবোৰ, গাঁৱৰ ৰাজহুৱা কুঁৱাটো
দমকলটো আৰু নামঘৰটো অনুমানতে চাইছে
ঠিকেই আছে,

মাজত এখন পঞ্চায়ত তাৰ কাষতে ডিচ্পেনচাৰীখন
মাজত থকা পথাৰখনৰ সিটো মূৰে ঘৰফুৰা গৰুজাকে
ধান খাই খাই ভাগৰি পৰিলে,
জিৰণি লোৱা ৰাজহুৱা খোঁৱাৰখন জেওৰাৰ ভিতৰতে আছে

পাহাৰখনত বাঘ ওলায় …… দীঘল দীঘল নেজ থকা বাঘ
কাঠ, বাঁহ, খেৰ আৰু বগা কাপোৰেৰে বুঢ়াক ডিঙি তলমূৰা
কৰি পুৰি পেলোৱা হ'ল
আকাশৰ পৰা ধাৰাসাৰে বৰ্ষণ কৰা বৰষুণ জাকৰ
টোপালবোৰে বুঢ়াৰ চিতাৰ জুই নুমুৱাই দিলে,

এতিয়াও সেই গীতবোৰ বাজি আছে
অহৰহ …………

১৯৮৮

# জীয়াই থকাৰ মানসেৰে

দুখতেই কান্দো,
সুখ বাৰু ক'ত
পামনে তোমাৰ
ওঠত

তোমাৰ মুখত
ৰান্ধনি ৰ'দালি
জিলমিলাই আছে
পামনে
তাতেই সুখ

সন্ধ্যাৰ পাছত
আকৌ প্ৰভাত
তোমাৰ পাছত
বাৰু কি

পামনে
তোমাৰ ওঠত দেখা
ৰান্ধনি ৰ'দালি

এতিয়া
মই
দুখতো নাকান্দো
সুখতো নেহাঁহো

পামনে বাৰু
জীয়াই থকাৰ সুখ

দুখতেই কান্দো
সুখ বাৰু ক'ত

১৯৮৮



# মোৰ বাবে

কোনোবা দূৰ অতীতত তুমি মোৰ বাবে ৰৈ থাকিবা
কপৌপাহি যে সৰে নিয়মৰ প্ৰতিটো টোপতে
প্ৰতিটো প্ৰহৰে প্ৰহৰে নিৰ্য্যাসেৰে ৰৈ থকা
স্বৰ্নিল এক সূৰুযমুখীৰ সেন্দুৰীয়া বাটত
তুমি স্বৰগ যাত্ৰাৰ বাতৰি শুনি কেনে আছা
সেই কথা নুসুধিবা ।

আৰম্ভণিটো য'ত হৈছিল
ঠিক তাতেই তোমাৰ খোপাৰ কপৌ সৰি
এখন বহল নদী হ'ল । য'ত উপজিছিলা
তাত এতিয়া কাঁইটীয়া সাগৰফেনা
ব'গলিটো য'ৰ পৰা উৰি আহিছিল
এতিয়া তাত এখন মৰুভূমি
সূৰ্য্যটো এতিয়া এটা সুমথিৰা
সেউজীয়া ঘাঁহনি এৰি শেলুৰৈ গজা
ৰংঘৰৰ বাকৰিত বহি ভাবো ;
তলাতল ঘৰৰ এই সোণখটোৱা পথেৰে
কাৰেংঘৰত কোনে প্ৰৱেশ কৰিছিল
ৰজা মৈদামত বহি চৰাইদেউ পৰ্বতৰ সৌন্দৰ্য্য
কোনে চাইছিল
অগ্নিগড়ত বহি লুইতত গাধোৱা দৃশ্য
কোনে উপভোগ কৰিছিল
আকাশেদি উৰি যোৱা ৰাজহাঁহজাকৰ
কল-কলনি
জুৰিৰ পাৰত বহি
কোনে শুনিছিল



Central Library
Assam Womens University
Acession No.: 2598
Date 30/08/24

সেউজীয়া ঘাঁহনি এৰি শেলুৰৈ গজা
এই নদীৰ পাৰত
এতিয়া কাজল সন্ধ্যা
পাৰত হাউলি থকা শিমলুডালত
এটা বুঢ়া শগুন

কোনোবা দূৰ অতীতত তুমি মোৰ বাবে
ৰৈ থাকিবা
সিদিনা তোমাৰ কবৰত গজি উঠা আঁহত জোপাত
এচেৰেঙা শেঁতা-ৰ'দ লবলৈ
মই জিৰাইছিলোঁ

কোনোবা দূৰ অতীতত তুমি মোৰ বাবে··· ···

১৯৮৮



# সেই বুঢ়া জলফাই গছজোপা

সেই বুঢ়া জলফাই গছজোপাৰ তলতেই
তেওঁ এদিন বহিছিল
সেই গছজোপাৰ আশে-পাশে
কৰবাত তেওঁক কবৰ দিয়া হৈছিল

নিশা জোনাকত বহি
তেওঁ লিখিছিল কবিতা
তেওঁ লিখিছিল নাটক

এদিন দেওবাৰে সেই জোনাকতে
যি ওলাই গ'ল
আৰু কোনোদিনেই উভতি নাহিল ঘৰলৈ

সেইদিনা তেওঁৰ হাতত আছিল
কবিতাৰ ৰামধেনু
আৰু জোনাক ভৰা আকাশ

কিছুসময় পিছতেই
সেই ৰামধেনুখন হ'ল তেজ
আকাশখন হৈ পৰিছিল
সেই বুঢ়া জলফাই গছজোপা নেদেখা
এখিৰিকী ক'লা চিয়াহী

এই এন্ধাৰতে তেওঁক গুলিয়াই হত্যা কৰা হৈছিল
বধ্যভূমিলৈ তেওঁক চোচৰাই নিয়া হৈছিল
কি মৰ্মান্তিক সেই জোনাকী হত্যা··· ···

এটি শিশুৰ দৰে নিৰ্মল
জোনাকৰ দৰে উজ্জ্বল
স্পেনীচ কবি গৰাকী
আজিও আছে মানুহৰ হৃদয়ে হৃদয়ে

মানুহক ভালপোৱা কবি গৰাকীৰ
মানুহৰ হাততেই মৃত্যু
নেৰুদাৰ ভাষাত—
তেওঁ আছিল উৰন্ত হৃদয়
এটি স্ফটিক প্ৰপাত ···

সেই বুঢ়া জলফাই গছজোপাৰ তলতেই
তেওঁ এদিন বহিছিল ··· ···· ···

১৯৮৯



# চিম্বল ফেমিলি

ৰামকিংকৰ বেইজৰ চিম্বল ফেমিলিৰ
এদিনময়ো সদস্য হ'লো

জানো এইখন দেশৰেই মই ছবি আঁকো
মোৰ কথা মই ছবিৰেই কওঁ
শিলৰ মূৰ্তিবোৰৰ ভিতৰলৈ মই সোমাই যাওঁ
আৰু মোৰ কথা মই এনেকৈয়ে কওঁ

বহুবোৰ ৰাস্তা আহি এই কেঁকুৰিটোত লগ লাগিছে
বহুবোৰ ৰেখা ··· ···
কিছুমানৰ গতি ওপৰলৈ
কিছুমানৰ তললৈ
কাৰো সময় নাই

দূৰৈৰ পৰা ভাহি আহিছে বসন্ত উৎসৱৰ ধ্বনি
মানুহবোৰ উৎফুল্লিত হৈ উঠিছে
এই সংগীতৰ ধ্বনিত····

ৰামকিংকৰ বেইজৰ চিম্বল ফেমিলিৰ
এদিন ময়ো সদস্য হ'লো
অহৈতুকী মৰম প্ৰীতিয়ে
মোক বন্দী কৰি ৰাখিলে

'পলচেজান'ৰ
ভিতৰলৈ সোমালো
দূৰৈত দেখিছো
চিম্বল ফেমিলি ৰৈ আছে মোৰ বাবে··· ····

১৯৮৯

## দ-পৰ্বতীয়াৰ ছোৱালী দুজনী

ক'ত জানো দেখিছিলোঁ
দ-পৰ্বতীয়াৰ সেই ছোৱালী দুজনী
হাতে হাতে হাত ধৰি যোৱা

শিলৰ ওপৰে ওপৰে
কোনোবা সূৰ্য মন্দিৰৰ সুৰুঙাইদি
হাতে হাতে হাত ধৰি যোৱা

বুকুৰ মাজত সুমুৱাই ৰাখিছিলোঁ
কিছুমান নামনোহোৱা শব্দ অনুভূতি
কুৰুকি কুৰুকি বিচৰণ কৰিছিল ছোৱালী দুজনী

এটা শিশুৰ জন্ম
এজন বুঢ়াৰ মৃত্যু
ওঁঠত লৈ উৰি আহিছিল
চৰাই এহালি
হাতত লৈ
প্ৰেমৰ চোঁৱাৰী

ক'ত জানো দেখিছিলো
দ-পৰ্বতীয়াৰ সেই ছোৱালী দুজনী

১৯৯০ ●



## গোয়ের্ণিকা

তুমি এখন নাঙঠ চহৰ
আজিও বৈ আছে
তোমাৰ চিত্ৰৰ একা-বেঁকা পথ

ক'ত আছে পঁচিশফুট দীঘল
এঘাৰ ফুট বহল
ছমাহ তুলিকা বোলোৱা
এখন কেনভাচ্

তোমাৰ জন্ম
নাৎচিসকলৰ বোমা বৰ্ষণত
তোমাৰ জন্ম
পিকাচোৰ তুলিকাত

হে নাঙঠ চহৰ
তুমি নগ্ন হৈয়ো
সজীৱ
তুমি বিপ্লৱ
তুমি গতি
প্ৰগতি

গোয়ের্ণিকা
এখন ছবিৰ নাম
পিকাচোৰ তুলিকাৰ
এক অপূৰ্ব স্বাক্ষৰ
গোয়ের্ণিকা
তুমি এখন নাঙঠ চহৰ

১৯৯০ ●

## পানীত ডুবা মানুহজাকৰ অন্বেষণত

(গাড়ীগাওঁ বাসীৰ নামত উৎসৰ্গিত)

ক'ত আছো
কছাৰী নে দেহান গাড়ীগাঁৱত
য'ত আছে
ওখ ওখ গড়ৰ কাষে কাষে সৰু সৰু গড়
ৰাণীৰাজ্যৰ ৰাণী সাদৈ-মাদৈয়ে
যি বাটে আহিছিল
বোঁৱাৰী-পুৰাঁতে
লুইতত স্নান কৰিবলৈ

ক'ত আছো
লংকেশ্বৰ ধামত নে কালেশ্বৰ ধামত
য'ৰ পৰা দেখি
মিৰ্জানাথনে খন্দা খনাজান নদী
যি নদীয়ে
ভেকুশৰ্মাৰ আখ্যানৰ
দীপৰত মিলিছে
য'ৰ পৰা দেখি
মিৰ্জা-নাথনৰ সৈন্যৰ চাউনি গড়ল

ক'ত আছো
জালালউদ্দিন তাব্রিজিৰ
ফকিৰপাৰাত নে
বক্তিয়াৰ খিলিজিৰ
ইছলামী ভাই সকলৰ মাজত

য'তেই নাথাকো
যিয়েই নকৰো
মই আছো



লুইতৰ পাৰত
উমাকান্ত দাসৰ মুঠা পুথিৰ মাজত
অথবা শ্যামৰায় গোসাঁইঘৰত

ক'ত আছো
ক'ৰবাত আছো
য'ত আছো
ঠিক সেইখিনিতেই
নিশাৰ স্বপ্নত মই
নৈখনৰ পাৰলৈ যাওঁ
সিপাৰৰ পৰা অহা নাওখন
হঠাৎ নোহোৱা হৈ যায়
পানীত
বালিত
মাটিত
আন্ধাৰত
নাঁৱৰ চৈত ওলমি ৰয়
জলকুঁৱৰীৰ চকুৰ মণি
খন্দাজানেৰে আহি
লুইতৰ পাৰ পালেহি
ক'তো দেখা নাপালো
ক'ত কি কৰি আছো মই
অথচ মই আছো
আঢ়ৈকুৰি নে তিনিকুৰি বছৰ আগেয়ে
ইয়াতেই ঘটিছিল
শ্যামৰায় নৱযুৱক নাট্যদলৰ ভাওনা
আজি আৰু তাৰ খতিয়ান নাই
যিদৰে নাই

গহীন পাটোৱাৰী (মেনেজাৰ)ৰ দৰে
দল পৰিচালক
অথবা
কেশৱ-বস্তি আৰু ভাৰত-প্ৰফুল্ল হঁতৰ
সমাজসেৱাৰ মূল্যায়ন
তথাপিও কিবা যেন কৰবাত
ঘটি আছে
ৰিনি ৰিনি সুৰ এটি বাজি আছে ... ...

খন্দাজান আৰু লুইতৰ
পানী কেঁকুৰিত
পানীত ডুবা মানুহজাকৰ
উদ্ধাৰ কাৰ্য্য চলি আছে

ক'ত আছো
ক'ৰবাত আছো
যতেই নাথাকো
যিয়েই নকৰো
কছাৰি অথবা দেহান গাড়ীগাঁৱত
সাদৈ-মাদৈ গড়ত
ফকিৰপাৰাত
অথবা মুঠা পুথিৰ মাজত
ক'ৰবাত আছো

ক'ত আছো
আঠুৱনীয়া পানীত খোজ দি আছো
নদীত পলসুৱা মাটি হৈ আছো
হাতত জোৰ লৈ আছো



শিলৰ অথবা
কবৰস্থলীত
সাঁচিপাতত
শিলালিপিত
শৰাইঘাটৰ পশ্চাদভূমিত
মানুহ হৈ আছো
নদীৰ মাজত, পাৰত
যি নদীৰ পাৰ ভাঙে
বাৰে বাৰে
বছৰে বছৰে

তথাপিও আছো
নদীৰ পাৰত
শিলত
সাঁচিপাতত
কৰবাত আছো
আছো

১৯৯০

## মনালিছা

চকুৰ পানীৰে
ধৰি ৰাখিব নোৱাৰি
প্ৰিয়জনৰ ওঠৰ হাঁহি

ফুলা সৰিয়হডৰাত
চকু ৰাখিলেই
কব নোৱাৰি
এয়া কাৰ চকু
তোমাৰ নে মোৰ নে তোমাৰ

প্ৰিয়জনৰ ওঠৰ হাঁহিত
জিলিকি থকা তামোলৰ পিকসনা
জেতুকাডৰাও
চিনিব নোৱাৰি
এয়া কাৰ পিকসনা ওঠ
তোমাৰ নে মোৰ নে তোমাৰ

হাঁহিবোৰ কেৱল হাঁহি
দাৰ্জিলিঙৰ টাইগাৰ হিলত দেখা
ঘূৰণীয়া বেলিটিৰ হাঁহি
চিলংপিকত দেখা লিংডোৰ হাঁহি
মনালিছাৰ হাঁহি

তোমাৰ আৰু মোৰ হাঁহি

১৯৯০



## এইখিনিতেই ঘটিছিল দুৰ্ঘটনাটো

তাইৰ চকু দুটা
বুকুখন আৰু
হাতৰ আঙুলিবোৰ
কাটি পেলোৱা হৈছিল

মোৰ চকুহাল তাইৰ হাতত তুলি দিছিলো
তাইৰ চকুদুটা মোৰ হাতত
বুকুখন ভগাই দিছিলো বাটৰ কুকুৰবোৰক

হাতৰ আঙুলিবোৰ পেলাই দিছিলো পানীত
মাছবোৰৰ কি যে আনন্দ

কোনোবা এজনে চিঞৰি উঠিছিল
মহাপ্ৰলয়
মই মোক সুধিছিলো
মোৰ মৰাশটো
মই কাৰ হাতত
কাৰ বুকুৰ মাজত বিলাই দিম

তাইৰ চকুদুটা
মোৰ চকুত লগাই ললো
আৰু ওৰেটো জীৱন
মৰিশালি বিচাৰি বিচাৰি
তেতিয়াৰে পৰাই
মই গৈ আছো
এইখিনিতেই ঘটিছিল দুৰ্ঘটনাটো

১৯৯০

## সাঁচিপাত
(আজাৰা বাসীৰ নামত উছৰ্গা)

কোনোবা ওজাৰ নামেৰে হোৱা আজাৰালৈ
আমি উজাই আহিলো
এখন নাৱেৰে
মিৰ্জানাথনে খন্দা খনাজানেৰে
গৈ গৈ ভেকুশৰ্মাৰ আখ্যানৰ দীপৰত
নিশাটো কটালো

নিশাৰ স্বপনত
দলে দলে হাতী আহি বেৰি ধৰিছে
বিলত নামিছে হাতী
মখনা খাইছে
চিকাৰীৰ গুৰুম্ গুৰুম্ শব্দত
হাতী পাহাৰলৈ দৌৰিছে
অগণন পক্ষীৰ গুঞ্জন ভাহি আহিছে
ৰাতিৰ আকাশে কঢ়িয়াই আনিছে
অজস্ৰ মাছমৰীয়াৰ প্ৰতীক্ষা
নিশাৰ পিছত নিশা

নাঁৱেৰে উজাই গ'লো
চকৰ'ডৰ বৰশিলালৈ
শনিবাৰ আৰু মঙ্গলবাৰে
ইয়াৰ পৰাই ভাঁহি আহে
কাৰাৰুদ্ধ দৰা-কইনাৰ
কান্দনৰ ধ্বনি
কালসন্ধ্যাত শিলৰ দুৱাৰত মুখ থৈ
শুনিছো, অজস্ৰ যাত্ৰীৰ ক্ৰন্দন
কাণত বাজি উঠিছে
: হে মোৰ অভিশপ্তা বৰশিলা



যাত্ৰা সিমানতে থমকি নৰল
আগলৈ আৰু আগলৈ গৈ আছো
গৈ গৈ পাটগাৱঁৰ নাগিনীগাত পালো
তন্ন তন্নকৈ চালো
ক'ত আছে অৰ্জুন
ক'ত উলুপী......
কিমান দূৰৈত আছে বাৰু পাতাল
আৰু আগুৱালো....
জলপ্ৰপাত সদৃশ ঝৌ-ঝৰ্ণাৱালৈ
এক অনাবিল আনন্দত মন প্ৰাণ শিঁয়ৰি উঠিল
ক'ত আছো
কি কৰি আছো
সুউচ্চ শিখৰেৰে মোৰ মন
বগাই বগাই
সৌন্দৰ্য্যৰ নিজৰাত গা তিয়াইছো
দূৰৈত দেখিছো
বৰলুইত......তাৰ পাৰতেই সৌৱা
মিৰ্জানাথনৰ সৈন্যৰ চাউনি 'গড়ল'
আনন্দত আপ্লুত হৈ পৰিছো
চিঞৰি চিঞৰি বান্ধৱী গৰাকীক কৈছো
: আহা, ইয়াৰ পৰাই ছোৱাহি
বৰলুইতৰ হাঁহি
ইয়াৰ পৰাই দেখি
গদাপানিৰ ৰাণীৰ কিৰীটিৰ কুসুম পাহি

হঠাৎ পোহৰ হ'ল
আমি সাৰ পালো
কোনোবা ওজাৰ নামেৰে হোৱা আজাৰালৈ
পুনৰ উভতি আহিলো
এখন নাঁৱেৰে .....

১৯৯১ ●

# জোনাক

এইযে জোনাকে
তামোল নাৰিকল বাঁহ-বননি
তৰাৰ তৰাৱলীকো নেওচি

কঢ়িয়াই আনে
গভীৰ নিশাটো

লঠঙা গছত
এখন আকাশৰ এজাক তৰাই
বৈ আনে
নিশাৰ এন্ধাৰে মনিব নোৱাৰা
এসাগৰ নীলা
আৰু অবুজ মৰমসনা
পখীৰ কূজন

জোনে হাঁহিছে
তামোল নাৰিকলৰ চিৰাচিৰি হোৱা
পাতৰ মাজত
জোনে মুখ ঢাকিছে
ক'জলা মেঘৰ আঁৰত

মই বৈ আছো
জোনাকৰ শুভ্ৰ আকাশত
মুখ থৈ
জোনাকত সাতুৰিবলৈ

ওৰে নিশা বাট চাই ৰ'লো
জোনাক……

১৯৯১ ●



# এখন আকাশ একেটাই গান

ভাৰেই অথবা কুৰিয়ত্তমৰ
সাঙ্গীতিক মূৰ্চনাত
প্ৰতিধ্বনিত হোৱা
জীৱনৰ আনুভুতিক
প্ৰতিটো পলেই
বিচলিত কৰি তোলে মন
যাৰ প্ৰেৰণাত
ভাটল ধামালী
অথবা ললিত গম্ভীৰা
নিচ্ছল হৈ পৰে
চিহ্নযাত্ৰাৰ পটত দেখা পাওঁ
যক্ষগান অথবা বেঠী নাটকম্
একেই আকাশ

একেই সুৰ
একেটাই গান
ভাবেই অথবা কুৰিয়ত্তমৰ
সাঙ্গীতিক মূৰ্চনাত
প্ৰতিধ্বনিত হয়
কাশ্মীৰ অথবা কুমাৰিকা
থৰ অথবা কুণ্ডিল নগৰ

কাৰ বাবে এই সীমাৰেখা
যাৰ ভাষা সুৰদী সুৰীয়া
তাৰ কণ্ঠই ৰূদ্ধ
একেই আকাশ
একেটাই গান
একেই সুৰ
তফাৎ মাথোন দৃষ্টিত……

প্ৰতিবাদ একেটাই
ৰুদ্ধকণ্ঠ আঁতৰ হওঁক
সমস্বৰে ফুটি উঠক
ব্ৰহ্মপুত্ৰ, গঙ্গা, কাবেৰীৰ
পানীৰ সোঁত
একেখন আকাশ
একেটাই গান
একেটাই সুৰ......

১৯৯২ ●



## প্ৰেম

একো নুবুজা
একো নুশুনা
একো নমনা
একো নজনা
এখন মুক্ত হৃদয়
যাৰ নাম
প্ৰেম
নদীৰ দৰে
বৰফৰ দৰে
শিলৰ দৰে
জোনাকৰ দৰে
মিঠা জুলীয়া আৰু গোটা
এটা চকলেট
যাক চুপি চুপি খাব পাৰি
তাৰ নাম
প্ৰেম

১৯৯৩ ●

## বিভীষণ

মই বিভীষণ
জ্যেষ্ঠ ভ্ৰাতা মোৰ ৰাৱণ
সত্য প্ৰতিষ্ঠাই যাৰ নাম
কলুষিত কৰিলে
পৃথিবীত
মই বিভীষণ
ৰাৱণৰ কনিষ্ঠ ভ্ৰাতৃ

মই বিভীষণ
মই ৰাক্ষস
স্বৰ্ণ লঙ্কাপুৰী মোৰ জন্মভূমি
ইচ্ছা কৰা হলে
আমি তিনি ভাই মিলি
( কুম্ভকৰ্ণ, ৰাৱণ আৰু বিভীষণ )
আৰ্য্যপুত্ৰ ৰামচন্দ্ৰৰ সতে
যুদ্ধও কৰিব পাৰিলোঁহেঁতেন ......

মই বিভীষণ
মায়াবী মাৰীচ থাকোতেই
মায়া কৰি নৰ-মনিছ বানৰ ভালুকক
নিশ্চিহ্নও কৰিব পাৰিলোহেঁতেন

মই বিভীষণ
দাদা মোৰ ৰাৱণ
যাৰ অত্যাচাৰ দেৱতাসবেও
ভুঞ্জিব লাগে



মন্দোদৰী যাৰ পত্নী
সহনশীলতা যাৰ কাম
ইন্দ্ৰজিৎ পুত্ৰ যাৰ আছে
তেওঁ কি হাৰিব পাৰে সামান্য ৰণত ......
ইন্দ্ৰজিৎ পুত্ৰ থাকোতেও
ৰাৱণৰ কিনো আছে ভয়
মই বিভীষণ
দাদা মোৰ ৰাৱণ

মই বিভীষণ
পত্নী সৰমাৰ মই বুকুৰ মণি
পুত্ৰ তৰণী সেনৰ মই পিতৃ
জন্মভূমিৰ ৰক্ষাৰ্থে তৰণীৰ দেশভক্তিয়ে
মোৰ পিতৃত্বৰ গৌৰৱ
মই বিভীষণ
স্বৰ্ণ লঙ্কাৰ কলংক মই
শ্ৰীৰামচন্দ্ৰৰ পৰম ভক্ত
পুত্ৰ তৰণীসেনৰ কবৰথলীত
এতিয়া সম্ৰাট
ইন্দ্ৰজিৎ, কুম্ভকৰ্ণ
জ্যেষ্ঠ ভ্ৰাতা লংকেশ্বৰৰ
মই চিৰ শত্ৰু....
মোৰ কথা
ময়েই ভাবো
কোন পিতৃয়ে বাৰু
কামনা কৰে
পুত্ৰক ৰণক্ষেত্ৰত পঠিয়াবলৈ

মই বিভীষণ
আদৰ্শই যাৰ জীৱনৰ সৌধ
তেওঁ কি পিচলি পৰে পুত্ৰ বিয়োগত

মই বিভীষণ
দেশদ্ৰোহী মোৰ নাম
সত্য যি এবাৰ প্ৰতিষ্ঠা কৰিলো অন্তৰত
ঃ ৰামচন্দ্ৰ জগতৰ গুৰু
সেই গুৰুপত্নীৰ অপহৰণ
নহয় কেতিয়াও জ্ঞানীৰ কাম
ৰাৱণেই আনিলে
ধ্বংস শ্ৰীলংকাৰ

মই বিভীষণ
"স্থিতপ্ৰজ্ঞ" মই মোৰ আদৰ্শত
মই বিভীষণ

১৯৯২



# শিৰোনামাত বিষ্ণুৰাভা

আকৌ শিৰোনামাত বিষ্ণুৰাভা

শুনিছিলো
তোমাৰ হাতত কলম আৰু বন্দুক আছিল
শোষক শ্ৰেণীৰ ধ্বংসৰ অস্ত্ৰ
আজি এয়া কিহৰ বন্দুক ?

চৌদিশ ধুঁৱলি-কুঁৱলী
ত্ৰাসিত হয় জনগণ
সেয়া কিহৰ আঁৰাৰ·······

চৰাই পুংত
ৰংঘৰত
ডিমাপুৰত
কোকৰাঝাৰত
ওদালগুৰিত
নুমলীগড়ত
শুই আছে ভাস্কৰ্যৰ মানুহ
খৰিয়াহোলাত জানো পানী শুকাল ?

দূৰৈত সেয়া কিহৰ শব্দ
ভোমোৰাগুৰিৰ শিলালিপি
গচকি খচকি পালো
দ-পৰ্বতীয়াৰ সেই ছোৱালী দুজনী

ক'ত আছে
শিৰোনামাৰ মানুহ

উজাই আহি বিশ্বনাথ কাশীধামত ৰ'লো
একো নেদেখিলোঁ
মালিনী থানত বহি
তাম্ৰেশ্বৰীৰ কেচাইখাতী গোসানীক
দেখিলো,
তাতো নাপালো শিৰোনামাৰ মানুহ

লুইতেৰে ভটিয়ালোঁ
কাণাই বৰশী বোৱা শিলত
উঠি চালো
মদন-কামদেবৰ চিত্ৰ

নীলাচল পাহাৰৰ
পচিমৰ দুৱাৰত লগ পালো
স্নেহময়ী মাতৃ
স্তনৰতা আই
শিশুৰ জননী

ক'ত আছে শিৰোনামাৰ মানুহ

শ্ৰীসূৰ্য্য পাহাৰতো
দেখা নাপালো
শিৰোনামাৰ মানুহ

ক'ত আছো আমি
ক'ত আছে শিৰোনামাৰ মানুহ

কাজিৰঙা নে
মানাহ অভয়াৰণ্যত

শুই আছে নেকি
খদ্দৰ কাপোৰৰ তলত
হাতত লাখুটি আৰু
চকুত চশমা লৈ



এইখন দেশো হব
ভগনীয়াৰ দেশ
লুইতে উটুৱাই নিব
মাজুলী......

শিৰোনামাৰ মানুহ
ভাস্কৰ্যৰ সলনি হব
বানপানী
খৰা, খহনীয়া

ক'ত লগ পাম
শিৰোনামাৰ মানুহ

মাটিত
পানীত
শিলত নে
আকাশত

১৯৯৩ ●

# ছবিআঁকা মানুহজন ছবি হৈ ৰ'ল

( যোৱা ২২ আগষ্ট ৯১ তাৰিখে দুৰ্ঘটনাত পতিত
হোৱা চিত্ৰশিল্পী কিশোৰ দাসৰ নামত উছৰ্গিত )

মৃত্যুতকৈ আৰু কি সত্য আছে
এই পৃথিবীত
তুমি সেই সত্যকেই আঁকোৱালি ল'লা

সেউজবুলিয়া ৰংখিনি হেৰাই গ'ল
সেই ধূসৰ সন্ধিয়াটোত

এতিয়া বাৰু কোনে
আধা অঁকা ছবিবোৰত
তুলিকা বুলাব......

কোনো দিনেই আপোচ নকৰা
শিল্পীজন
মেডিকেল হস্পিতালত
নিশা মৃত শ-বোৰ নিবলৈ বৈ থাকে
ৰাতিটোৰ বাবে ভাড়ালৈ লোৱা
এম্বেচাদৰ গাড়ীখনেৰে......

ৰাতিটো পুৱালেই
তুলিকা আৰু কেমেৰাটো হাতত লৈ
তেওঁ ওলাই যায়

সেই যে অফিচ্‌ৰ কেমেৰাটো
হেৰাইছিলা মাজুলীত
নিজৰটোকেই দি দিছিলা
সেইদিনা তোমাৰ কেনে লাগিছিল
পানীত ডুবা মানুহজাকৰ দৰে
কক্‌-বক্‌
কক্‌-বক্‌

এই কেমেৰাটো আৰু তুলিকাডাল লৈয়েই
তুমি এদিন ওলাই আহিছিলা....

অৱশেষত গ'লাগে
তোমাৰ শ-দেহটো লৈ
নিজ ঘৰলৈ ....

তোমাক কেমেৰাটো উপহাৰ দিয়া
সেই বান্ধৱীজনী
এতিয়াও বৈ আছে
পাত নোহোৱা গছৰ দৰে
যেন বৰফে আগুৰি আছে
তোমাৰ হাতৰ তুলিকাডাল
বুলাই দিলেই
তাই সাৰ পাই উঠিব

তাই ভাবে
তুমি আঁকা ছবিবোৰৰ মাজত
তুমি যেন জিলিকি আছা
সেউজবুলীয়া ৰং হৈ

এতিয়াও দেওবাৰে
শিশুবোৰ বৈ থাকে
এমোকোৰা হাঁহিৰে
তুমি আকৌ আহিবা
কেনভাচত তুলিকা বুলাবলৈ
আধা অঁকা ছবিবোৰ আঁকিবলৈ

কেনভাচত
তুমি উজ্বলি আছা
এমোকোৰা হাঁহি হৈ

একোছা দাড়ি লৈ

একোছা চুলি

আৰু

কান্ধত কেমেৰাটো ওলোমাই লৈ···

ছবি আঁকা

ফটো তোলা

মানুহজন

ছবি হৈ ৰ'ল

মৃত্যুতকৈ আৰু কি সত্য আছে

এই পৃথিবীত

১৯৯৩ ●

CENTRAL LIBRARY
ASSAM WOMEN'S UNIVERSITY
Jorhat - 785004

DATE LABEL

This book taken from the Library is to be returned within 15 days by the Students and 30 days by the Teachers. A fine of will be charged under the rules of the Library for each day the book is kept beyond time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |
| | | | |

8